# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-03-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - -

১।　মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ত ধেমাজি বিধানসভা সমষ্টিৰ বিভিন্ন প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা।

২।　ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী তৎপৰতা বৃদ্ধি।

৩।　জলবায়ু পৰিৱৰ্তন আৰু শক্তি সংৰক্ষণৰ সজাগতা সৃষ্টিৰ লক্ষ্যৰে ধৰিত্ৰী ঘণ্টা কাৰ্যসূচীৰ ৰূপায়ণ কৰিবলৈ ৰাজ্য চৰকাৰৰ আহ্বান।

৪।　দৰং জিলাক দেশৰ ৰে'ল মানচিত্ৰত অন্তৰ্ভুক্ত কৰাৰ বাবে ৰে'লপথৰ চূড়ান্ত জৰীপত অনুমোদন।
*আৰু*

৫।　ইণ্ডিয়ান প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ অষ্টাদশ সংস্কৰণ আৰম্ভ।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত ধেমাজি বিধানসভা সমষ্টিত ৰূপায়িত বিভিন্ন প্ৰকল্প, আঁচনি তথা অন্যান্য উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। এই বৈঠকত মন্ত্ৰীসভাৰ বৈঠকত ধেমাজি জিলাৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা ঘোষণাসমূহৰ ৰূপায়ণৰ অগ্ৰগতি সম্পৰ্কে বিতংভাৱে আলোচনা কৰা হয়। তদুপৰি জিয়াঢল, মৰিঢল, গাইনৈৰ সুঁতিয়ে সৃষ্টি কৰা বান পৰিস্থিতি, ধেমাজি নগৰত সন্মিলন কেন্দ্ৰ নিৰ্মাণ, নলা-নৰ্দমা নিৰ্মাণ, ধেমাজি আৰু গোগামুখ চক্ৰত সীমা সমস্যা সমাধানকে ধৰি বিভিন্ন বিষয়ত গুৰুত্ব আৰোপ কৰা হয়। মুখ্যমন্ত্ৰীয়ে এই বৈঠকত লোকনিৰ্মাণ, জলসম্পদ, গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, শক্তি, স্বাস্থ্য, কৃষিকে ধৰি বিভিন্ন বিভাগৰ অধীনত চলি থকা আন্তঃগাঁথনিমূলক প্ৰকল্পৰো অগ্ৰগতিৰ বুজ লয়। ইয়াৰ লগতে জোনাইৰ পৰা মাজুলীলৈ পথযুক্ত মথাউৰিৰ উন্নীতকৰণ, অসমমালা আঁচনিৰ অধীনত বিভিন্ন পথ নিৰ্মাণ আৰু মুখ্যমন্ত্ৰী উন্নত পকীপথ নিৰ্মাণ আঁচনি ৰূপায়ণৰো তেওঁ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে ধেমাজিত চিকিৎসা মহাবিদ্যালয় তথা হাস্পতাল, সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ ভৱন আৰু সংহত ক্ৰীড়া প্ৰকল্পকে ধৰি কাম-কাজ চলি থকা আঁচনি আৰু প্ৰকল্পসমূহ দ্ৰুতগতিত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। এই বৈঠকত মন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ প্ৰদান বৰুৱাৰ উপৰি শীৰ্ষ প্ৰশাসনীয় বিষয়াসকল উপস্থিত থাকে।

ooooo

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পাইছে। আজি কামৰূপ জিলাৰ বামুনীগাঁও পৰিষদীয় সমষ্টিত সাংসদ বিজুলী কলিতা মেধীয়ে ভাৰতীয় জনতাপাৰ্টীৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি বিজেপিৰ প্ৰাৰ্থী অজিত ৰাভাৰ হৈ প্ৰচাৰ চলায় সাংসদগৰাকীয়ে বকো পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী ছুমিত ৰাভাৰ সৈতেও প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে।

গোৱালপাৰা জিলাতো ১৯টা পৰিষদীয় সমষ্টিত প্ৰাৰ্থীসকলে ভোটদাতাসকলক আকৰ্ষিত কৰিবলৈ বিভিন্ন ধৰণেৰে প্ৰচাৰ অভিযান চলায়। বিধানসভাৰ উপাধ্যক্ষ ড০ নোমল মমিনে আজি জিলাখনৰ কেইবাটাও পৰিষদীয় সমষ্টিত বিজেপি আৰু ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান চলায়। ৭ নম্বৰ দক্ষিণ দূধনৈত বিজেপি সমৰ্থিত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থী টংকেশ্বৰ ৰাভাই প্ৰতিদ্বন্দ্বি কংগ্ৰেছ দলৰ সঞ্জীৱ কুমাৰ ৰাভা, ভোটাৰ্ছ পাৰ্টী অব ইণ্ডিয়া দলৰ পুনম হাজোৰাৰীৰ সমানে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। ১৫ নম্বৰ আগিয়া পৰিষদীয় সমষ্টিত বিজেপি প্ৰাৰ্থী সুচিত্ৰা নাথ, কংগ্ৰেছ প্ৰাৰ্থী সোণালী সূত্ৰধৰ আৰু নিৰ্দলীয় প্ৰাৰ্থী সাধনা চাংমাৰ প্ৰচাৰ অভিযানে নিৰ্বাচনী আকৰ্ষণ সৃষ্টি কৰিছে। আন আন সমষ্টিসমূহতো প্ৰাৰ্থীসকলৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হোৱা পৰিলক্ষিত হৈছে।

উল্লেখযোগ্য যে, অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ ভোটগ্ৰহণ হ'ব। অহা ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

ooooo

জলবায়ু পৰিৱৰ্তন আৰু শক্তি সংৰক্ষণৰ সজাগতা সৃষ্টিৰ লক্ষ্যৰে ধৰিত্ৰী ঘণ্টা কাৰ্যসূচীৰ সমৰ্থনত আজি নিশা চাৰে ৮ বজাৰ পৰা চাৰে ৯ বজালৈ ৰাজ্যখনৰ জনসাধাৰণক অনাৱশ্যকীয় সকলো বিদ্যুৎচাকি বন্ধ কৰি ৰাখিবলৈ ৰাজ্য চৰকাৰে আহ্বান জনাইছে। ১৯০ খনতকৈও অধিক দেশত পালন কৰা ধৰিত্ৰী ঘণ্টা কাৰ্যসূচীত এই বছৰ সকলোৰে বাবে পানী শীৰ্ষক বিষয়বস্তুত গুৰুত্ব দিয়া হৈছে। আন্তৰ্জাতিক জল দিৱসৰ সৈতে সংগতি ৰাখি শক্তিৰ বহনক্ষম ব্যৱহাৰ আৰু পানী সংৰক্ষণৰ মাজত সংযোগ সৃষ্টি কৰিবলৈ এইবাৰৰ ধৰিত্ৰী ঘণ্টা কাৰ্যসূচীত চেষ্টা চলোৱা হৈছে। World Wide Fund for Nature চমুকৈ WWF INDIA নামৰ সংস্থাৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচী সফল কৰিবলৈ ভাৰত চৰকাৰে এই এঘণ্টা ব্যক্তিগত ব্যৱসায়িক আৰু অন্যান্য সংস্থাসমূহক পৰিবেশ বহনক্ষমতা ৰক্ষাৰ বাবে প্ৰতিকীভাৱে এই কাৰ্য কৰিবলৈ আহ্বান জনাইছে। এনে ধৰণৰ সৰু অথচ গুৰুত্বপূৰ্ণ পদক্ষেপে জলবায়ু পৰিৱৰ্তন ৰোধ আৰু শক্তি সংৰক্ষণৰ অভ্যাস গঢ় দিয়াৰ ক্ষেত্ৰত জনসাধাৰণক সহায় কৰিব বুলিও চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। বজালী জিলাত মন্ত্ৰী ৰণজিৎ কুমাৰ দাস আৰু শ্ৰীভূমি, যোৰহাট জিলাকে ধৰি  বিভিন্ন জিলা প্ৰশাসনে ধৰিত্ৰী ঘণ্টা পালন কৰিবলৈ জনসাধাৰণক আহ্বান জনোৱাৰ লগতে জিলা কাৰ্যালয় আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ মুৰব্বীসকলক নিৰ্ধাৰিত সময়ত অপ্ৰয়োজনীয় বিজুলী চাকি বন্ধ কৰিবলৈ নিৰ্দেশ দিছে।

ধৰিত্ৰী ঘণ্টাৰ এই বিশ্বজোৰা কাৰ্যসূচী পালন কৰিবলৈ ৰাজ্যবাসীক আহ্বান জনাই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এনেদৰে কয়- **(বাইট ঃ মুখ্যমন্ত্ৰী)**

ooooo

দৰং জিলাক দেশৰ ৰে'ল মানচিত্ৰত অন্তৰ্ভুক্ত কৰাৰ বাবে প্ৰায় চাৰে ৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ ১২৮ দশমিক ৭-৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথৰ চূড়ান্ত জৰীপত অনুমোদন হৈছে আৰু চলিত মাহতে এই প্ৰতিবেদন প্ৰকাশ পাব। দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়াই আজি মঙলদৈ মহাবিদ্যালয়ত প্ৰধানমন্ত্ৰী উচ্চতৰ শিক্ষা আঁচনিৰ অধীনত স্থাপন হ'বলগীয়া নতুন শৈক্ষিক ভৱন আৰু অত্যাধুনিক কম্পিউটাৰ গৱেষণাগাৰৰ নিৰ্মাণৰ শুভাৰম্ভ অনুষ্ঠানত অংশ লৈ এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে জিলাখনৰ ৰে'লপথ আৰু চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ বাবে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে প্ৰাৰম্ভিক কাম আৰম্ভ হ'ব।

**বাইট (দিলীপ শইকীয়া)**

উল্লেখযোগ্য যে সাংসদগৰাকীয়ে যোৱা ১৮ মাৰ্চত নতুন দিল্লীৰ ৰে'ল ভৱনত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰি জিলাখনক ৰে'ল মানচিত্ৰত অন্তৰ্ভুক্ত কৰাৰ বাবে দৰংবাসীৰ দীৰ্ঘদিনীয়া দাবী সন্দৰ্ভত মন্ত্ৰীগৰাকীক অৱগত কৰিছিল। ৰে'লমন্ত্ৰীগৰাকীয়ে দৰং জিলাক সংযোগ কৰি নতুন ৰে'লপথ নিৰ্মাণৰ যাৱতীয় প্ৰস্তুতি সোনকালে আৰম্ভ কৰা হ'ব বুলি সাংসদগৰাকীক আশ্বাস দিছিল।

00000

আজি বিশ্ব জল দিৱস। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই উপলক্ষে পানী সংৰক্ষণ আৰু বহনক্ষম উন্নয়নৰ প্ৰতিশ্ৰুতি সুনিশ্চিত কৰিবলৈ ৰাষ্ট্ৰবাসীক আহ্বান জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে পানী সংৰক্ষণৰ গুৰুত্বপূৰ্ণ ভিডিঅ' এটা শ্বেয়াৰ কৰি কয় যে, পানী হৈছে সভ্যতাৰ জীৱনৰেখা আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে ইয়াক সুৰক্ষিত কৰি ৰখা উচিত।

গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানে ব্ৰহ্মপুত্ৰ বোৰ্ডৰ সৈতে যুটীয়া প্ৰচেষ্টাত প্ৰতিষ্ঠানটোৰ সভাগৃহত দুদিনীয়াকৈ বিশ্ব জলদিৱস কাৰ্যসূচী পালন কৰিছে। জৈৱ বৈচিত্ৰৰ কোনো ক্ষতি নোহোৱাকৈ ব্ৰহ্মপুত্ৰ নদীৰ জলশক্তি ব্যৱহাৰ কৰি বিজুলী উৎপাদন কেনেদৰে কৰিব পাৰি এই সন্দৰ্ভত কাৰ্যসূচীত আলোচনা কৰা হৈছে। আলোচনাত আই আই টি গুৱাহাটীৰ উপৰি দিল্লী আই আই টি, ৰুৰকি আই আই টি আৰু ভাৰতবৰ্ষৰ কেইবাখনো অভিযান্ত্ৰিক বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়তো ভূগোল বিভাগৰ উদ্যোগত বিশ্ব জল দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। গোলকীয় উত্তাপ বৃদ্ধি আৰু হিমবাহসমূহৰ খহনীয়াৰ আন্তঃসম্পৰ্ক বিশ্লেষণ কৰি পানীৰ ব্যৱহাৰৰ ক্ষেত্ৰত আহিব পৰা সংকট প্ৰতিৰোধ কৰিবলৈ বিভিন্ন উপায়ৰ বিষয়ে আজিৰ কাৰ্যসূচীত আলোচনা কৰা হয়। ধেমাজি জিলাতো ধেমাজি জন স্বাস্থ্য কাৰিকৰী বিভাগৰ সহযোগত চিলাপথাৰ মহাবিদ্যালয়ত পৰিষ্কাৰ পানীৰ বহনক্ষম ব্যৱহাৰ সন্দৰ্ভত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়।

উল্লেখযোগ্য যে প্ৰতি বছৰে ২২ মাৰ্চৰ দিনটো বিশ্ব জল দিৱস হিচাপে পালন কৰা হয়। ১৯৯২ চনত ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিয়'ত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ সন্মিলনত লোৱা সিদ্ধান্ত অনুসৰি ১৯৯৩ চনৰ পৰা প্ৰতি বছৰে এই দিৱস পালন কৰা হৈছে।

00000

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত পৰিৱেশ প্ৰদূষণ - নতুন ভাবুকি শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰিব। বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিবেশিকা অৰুণিমা গোস্বামীয়ে আঁত ধৰিবলগীয়া এই অনুষ্ঠানত মেডিচিন বিভাগৰ বিশিষ্টা চিকিৎসক ডাঃ ৰুণজুন টেৰণপী আৰু পৰিৱেশ কৰ্মী মুবিনা আখতাৰে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ফেচবুক পেজ airnewsghy আৰু Youtube Channel airnewsGuwahati-যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

00000

গুৱাহাটীৰ ৰাষ্ট্ৰীয় বিজ্ঞান কেন্দ্ৰই ৰাষ্ট্ৰীয় উদ্ভাৱন ফাউণ্ডেচনৰ সহযোগত আজিৰে পৰা দুদিনীয়াকৈ উদ্ভাৱন মহোৎসৱৰ আয়োজন কৰিছে। উদ্ভাৱনী আৰু সৃষ্টিশীল কামকাজত জড়িত হ'বলৈ জনসাধাৰণক উৎসাহিত কৰাৰ বাবে প্ৰতি বছৰে আয়োজন কৰা এই মহোৎসৱত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন প্ৰান্তৰ উদ্ভাৱক আৰু শিপিনীসকলে অংশগ্ৰহণ কৰিছে। ইয়াৰ লগতে মহোৎসৱত স্থানীয় বৈজ্ঞানিক সংস্থাসমূহে ছাত্ৰ সমাজৰ

সৃজনীশিলতাৰ বিকাশ সাধন কৰিবলৈ বিভিন্ন উদ্ভাৱনী প্ৰযুক্তি তথা কলাৰ প্ৰদৰ্শন কৰিছে। মহোৎসৱৰ লগত সংগতি ৰাখি উদ্ভাৱনা আৰু সৃষ্টিশীলতা বিষয়ক কেইবাখনো আলোচনা চক্ৰৰ আয়োজন কৰা হৈছে।

০০০০০

তথ্য প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী কেশৱ মহন্তই আজি হোজাই জিলাৰ ডবকাত স্বচ্ছ ভাৰত নগৰীয়া অভিযানৰ অধীনত নিৰ্মাণ হ'বলগীয়া এটা অত্যাধুনিক আৱৰ্জনা ব্যৱস্থাপনা প্ৰকল্পৰ শিলান্যাস কৰে। ৩ কোটি ৫০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈ উঠিলে ডবকা চহৰৰ প্ৰতিটো ৱাৰ্ড পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ উঠিব বুলি আশা কৰা হৈছে। এই প্ৰকল্পৰ জৰিয়তে উৎপাদিত পচন সাৰ ব্যৱহাৰ কৰি কৃষকসকল লাভৱান হোৱাৰ উপৰি এই প্ৰকল্পটোত বহু যুৱক-যুৱতীয়ে কৰ্মসংস্থাপন লাভ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

মন্ত্ৰীগৰাকীয়ে আজি হোজাইৰ ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত বসন্ত মিলন উৎসৱতো অংশগ্ৰহণ কৰে। অসম ভাষিক সংখ্যালঘু ব'ৰ্ডৰ সহযোগত বিশ্ববিদ্যালয়খনে আয়োজন কৰা এই উৎসৱত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শিল্পী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশ লৈছে।

০০০০০

পশ্চিম কাৰ্বি আংলঙৰ বৈঠালাংছ'ত আজি আৰক্ষীয়ে নিচাযুক্ত দ্ৰব্যসহ দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। বিশেষ সূত্ৰৰ পম খেদি অভিযান চলাই বৈঠালাংছ' আৰক্ষীয়ে সৰবৰাহকাৰী কেইজনৰ পৰা ২০ টা কণ্টেনাৰত বুজন পৰিমাণৰ নিচাযুক্ত দ্ৰব্য উদ্ধাৰ কৰিবলৈ সমৰ্থ হয়। অধিক তথ্যৰ বাবে আৰক্ষীয়ে সৰবৰাহকাৰী দুজনৰ জেৰা অব্যাহত ৰাখিছে।

০০০০০

কাৰ্বি আংলং জিলাৰ ডিফুৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত যোৱা ১৭ মাৰ্চৰ পৰা অনুষ্ঠিত কণিধান খেতিৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ সামৰণি পৰিছে। এই প্ৰশিক্ষণত আধুনিক পদ্ধতিৰে কণিধান খেতিৰ কাৰিকৰী দিশ, প্ৰসংস্কৰণ, বজাৰৰ চাহিদা সৃষ্টিকে ধৰি বিভিন্ন বিষয়ত প্ৰশিক্ষাৰ্থীসকলক অৱগত কৰোৱা হয়। তদুপৰি ২০ গৰাকী প্ৰশিক্ষাৰ্থীৰ মাজত কণিধানৰ পৰা খাদ্য-সামগ্ৰী প্ৰস্তুতকৰণ প্ৰতিযোগিতাও অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত শান্তি চেত্ৰীয়ে প্ৰথম স্থান লাভ কৰে।

০০০০০

আজিৰে পৰা বোকাখাটত ৫ দিনীয়াকৈ বোকাখাট গ্ৰন্থমেলা আৰম্ভ হৈছে। বোকাখাট নাট্য মন্দিৰত অনুষ্ঠিত এই গ্ৰন্থমেলাত গ্ৰন্থ অধ্যয়নৰ জৰিয়তেহে সমাজৰ সামগ্ৰিক উত্তৰণ সম্ভৱ এই চিন্তাক মূল বিষয় হিচাপে লোৱা হৈছে। আজি গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি আয়োজন কৰা আলোকচিত্ৰ প্ৰদশনী বিশিষ্ট চিত্ৰশিল্পী চম্পক বৰবৰাই মুকলি কৰে। বিশিষ্ট সাহিত্যক অৰুপা পটংগীয়া কলিতাই গ্ৰন্থমেলাখন উদ্বোধন কৰি উঠি অহা প্ৰজন্মৰ বৌদ্ধিক উৎকৰ্ষ সাধনৰ লক্ষ্যৰে আয়োজিত বোকাখাট গ্ৰন্থমেলাৰ উদ্যোক্তাসকলৰ প্ৰশংসা কৰে। গ্ৰন্থমেলাৰ সৈতে খাপ খুৱাই আয়োজন কৰা ভাৰ্চুৱেল ব্যৱস্থাৰ সাহিত্য সন্মিলনত বিশিষ্ট বুদ্ধিজীৱী ড০ হিৰেন গোহাঁই অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত কবি নীলিম কুমাৰ আৰু গল্পকাৰ মণিকংকণা বৰবৰালৈ পুলিন-পুতুল স্মাৰক সাহিত্য বঁটা আগবঢ়োৱা হয়।

০০০০০

বজালী জিলাৰ পাটাচাৰকুছিৰ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত মহাবিদ্যালয়খনত আজিৰে পৰা দুদিনীয়াকৈ আলোচনা চক্ৰ অনুষ্ঠিত হৈছে। ভাৰতীয় সমাজ বিজ্ঞান আৰু গৱেষণা পৰিষদৰ অৰ্থ সাহায্যত আৰু বিদ্যা ভাৰতী উচ্চ শিক্ষা সংস্থান, অসম প্ৰান্তৰ সহযোগত আয়োজিত **ধ্ৰুপদী অসমীয়া ভাষা-**

**প্ৰত্যাহ্বান আৰু সম্ভাৱনা** শীৰ্ষক এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰখনৰ কাইলৈ সামৰণি পৰিব। মহাবিদ্যালয়খনৰ প্ৰশাসনীয় সমিতিৰ সভাপতি তথা অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ সোমেশ্বৰ কলিতাই আলোচনা চক্ৰৰ উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে। আলোচনা চক্ৰত উপস্থিত থকা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড০ দীপামণি হালৈ মহন্তই ভাষণত কয়, যে ভাষা হৈছে এক ব্যৱহাৰিক পদ্ধতি। প্ৰতি ৪০ বছৰত একোটাকৈ ভাষা বিলুপ্ত হৈ আহিছে বুলিও তেওঁ উল্লেখ কৰে। অসমীয়া ভাষা বিলুপ্ত হৈ নাযায় যদিও অসমীয়া ভাষাক মাতৃভাষা হিচাপে ব্যৱহাৰ কৰা লোকৰ সংখ্যা ক্ৰমাৎ কমি আহিছে বুলি তেওঁ তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড০ তৰণী ডেকাই মুখ্য অতিথি হিচাপে অংশ লৈ অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ জৰিয়তে মাতৃভাষাটো বিশ্ব দৰবাৰলৈ নিবলৈ তেওঁ আহ্বান জনায়। এই আলোচনাচক্ৰত সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক ড০ লক্ষী হাজৰিকা, দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ সহকাৰী অধ্যাপক ড০ মিতালী বৰ্মন উপস্থিত থাকে।

০০০০০

ইণ্ডিয়ান প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ অষ্টাদশ সংস্কৰণ আজি আৰম্ভ হৈছে। কলকাতাৰ ইডেন গাৰ্ডেনছ ষ্টেডিয়ামত আজি সন্ধিয়া উদ্বোধনী খেলখন যোৱাবাৰৰ বিজয়ী কলকাতা নাইট ৰাইডাৰ্ছ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মাজত খেলোৱা হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ইতিমধ্যে আৰম্ভ হোৱা উদ্বোধনী অনুষ্ঠানত প্ৰসিদ্ধ গায়িকা শ্ৰেয়া ঘোষাল আৰু পাঞ্জাবী গায়ক কৰণ ঔজলে অনুষ্ঠান পৰিৱেশন কৰিছে।

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ, বিচিচিআইয়ে এই প্ৰতিযোগিতাত এইবাৰ চাৰিটা বৃহৎ পৰিৱৰ্তন কৰিছে। পৰিষদৰ মুখ্য কাৰ্যালয়ত কালি দলসমূহৰ অধিনায়ক, প্ৰশিক্ষক আৰু প্ৰৱন্ধকসকলৰ সৈতে বিচিচিআইৰ এখন বৈঠকত সৰ্বসন্মতিক্ৰমে বলত লেলাৱতি লগোৱা কাৰ্যত অনুমতি দিয়া হয়। ক'ভিড মহামাৰীৰ সময়ত এই কাৰ্যত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল। তদুপৰি সন্ধিয়াৰ ভাগত অনুষ্ঠিত খেলসমূহত কুঁৱলীৰ বাবে উৎপন্ন হোৱা প্ৰত্যাহ্বানসমূহ দূৰ কৰাৰ উদ্দেশ্যে পাছত বলিং কৰা দলে ১০ অভাৰৰ পাছত বল বদলোৱাৰ বাবে অনুৰোধ কৰিব পাৰিব। আম্পায়াৰেও দশম অভাৰৰ পাছত প্ৰয়োজন হ'লে বদলি কৰাৰ সিদ্ধান্ত ল'ব পাৰিব। এই প্ৰতিযোগিতাতে নতুন আচৰণ বিধি প্ৰযোজ্য হ'ব আৰু ৩৬ মাহলৈকে এই বিধি বাহাল থাকিব। এইবাৰৰ প্ৰতিযোগিতাত ১০টা দলৰ মাজত ৭৪ খন খেল অনুষ্ঠিত হ'ব।

০০০০০

নগাঁও মাকুমৰ ছোৱালী দলে গুৱাহাটীৰ ভেটাপাৰাৰ মৌলানা মহম্মদ তৈয়বুল্লা হকী ষ্টেডিয়ামত চলি থকা খেলো ইণ্ডিয়া অস্মিতা ৰাজ্যিক হকী লীগৰ জুনিয়ৰ শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি প্ৰতিযোগিতাৰ অন্তিম চাৰিখন লীগৰ খেলৰ পাছত মাকুমে গ্ৰুপ-এৰ শীৰ্ষ দল হিচাপে আৰু নগাঁও দলে গ্ৰুপ-বিৰ শ্ৰেষ্ঠ দল হিচাপে ফাইনেলত প্ৰৱেশ কৰিছে। কাইলৈ পুৱা চাৰে ৯ বজাত ফাইনেল খেলখন অনুষ্ঠিত হ'ব। কাইলৈ আবেলিৰ পৰা ছাব জুনিয়ৰ লীগৰ খেলসমূহ অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত